Date

Page No 81

রিষ্কার

...অহর প্রশ্ন, এই
...হর কতদিন
...ট দিয়ে সাংসদ,
...আমাদের
...দাতা সেজে
...আমাদের
...বল নিয়ে
...জেদের অস্তিত্ব
...সঙ্গে রাজনীতি
...ভাবে আমরা
...ক্ষায় লাইনে
...লোকমঞ্চ থেকে
...সংগঠনকে
...জাতির স্বার্থে
...আমার মনে হয়
...ভয়+ভালবাসা।
...হোক অন্যের
...কল্যাণ। যাই
...বিধানসভার
...রছে। ১২৬ টি
...প্রার্থী সংখ্যা
...দের বডি
...হয় দিসপুর
...শপথ গ্রহণটাই
...একটা কবিতা

...মহা ধুমধাম
...করিছে প্রণাম
...দেব, পথ ভাবে

...দেব, হাসেন

রাখাল দাস
হোজাই

# এনআৰচি ঃ বিলাসীপাৰাত ৰাইজৰ দুৰ্ভোগ

**আমাৰ খবৰ, বিলাসীপাৰা, ১৯ জুলাই** ঃ ৰাজ্যখনৰ লগতে ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাতো ৪১টা এন আৰ চি সেৱা কেন্দ্ৰ স্থাপন কৰি কাম-কাজ চলাই আছে যদিও সেৱা কেন্দ্ৰসমূহত বিভিন্ন সামগ্ৰী যোগানৰ নামত বিষয়াই লুণ্ঠন চলাই আছে বুলি অভিযোগ উঠিছে। অভিযোগ মতে বিলাসীপাৰা ৰাজহ চক্ৰৰ অন্তৰ্গত একাংশ এন আৰ চি সেৱা কেন্দ্ৰত প্ৰদান কৰা হোৱা মেচিন বিকল হৈ আছে, লেপটপ, প্ৰিন্টাৰ আদিৰ বিসংগতি হৈ থকাৰ লগতে ইন্ধনৰ যোগান অনিয়মীয়া আছে বুলিও অভিযোগ উঠিছে। বিলাসীপাৰা পশ্চিম সমষ্টিত ১৭৯টা ভোটগ্ৰহণ কেন্দ্ৰত আৰু বিলাসীপাৰা পুব বিধানসভা সমষ্টিত ২১৭টা ভোটগ্ৰহণ কেন্দ্ৰত এজনকৈ এফ এল অ' অৰ্থাৎ ক্ষেত্ৰ পৰ্যায়ৰ বিষয়াক নিয়োগ কৰি এন আৰ চি উন্নীতকৰণৰ কাম-কাজ চলাই আহিছে যদিও বিলাসীপাৰা মহকুমাত যোৱা এপ্ৰিল মাহত ৩৯৬ গৰাকী এফ এল অ'ক নিয়োগ কৰি এন আৰ চিৰ প্ৰ-পত্ৰ বিতৰণ আৰু ভোটাৰসকলৰ মোবাইল নম্বৰ সংগ্ৰহ কৰি বিলাসীপাৰা মহকুমা নিৰ্বাচনী কাৰ্যালয়ত জমা দিছিল। যোৱা চাৰি মাহ ধৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত এন আৰ চি উন্নীতকৰণৰ কাম-কাজত জড়িত থকাৰ পাছতো আজিলৈকে এফ এল অ'সকলে ফুটা কড়িও পোৱা নাই; ফলত তেওঁলোক অসুবিধাৰ সন্মুখীন হৈছে। এন আৰ চি সেৱা কেন্দ্ৰত পৰ্যাপ্ত কৰ্মচাৰীৰ অভাৱত ৰাইজে প্ৰ-পত্ৰ জমা কৰিবলৈ গৈ বিমুখ হৈ ঘূৰি আহিবলগীয়া হৈছে। সেয়েহে এন আৰ চি সেৱা কেন্দ্ৰত পৰ্যাপ্ত পৰিমাণৰ সামগ্ৰীৰ যোগান ধৰাৰ লগতে এফ এল অ'সকলক পাৰিশ্ৰমিক প্ৰদান কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে সচেতন মহলে।